# যতীন কোঁৱৰৰ কবিতা

**লাৰু**

তুঁহে-পতানে-গোবৰে লাৰু
আঁঠুমূৰীয়া পানী-মেখেলা
থুই-থাই পানীমঙলি।

পুঠিমাছে খুঁটি খুঁটি লৰাই—
বুকু শালি থোৱা পানী-সৰলৰ ঠালি।
তোৰ চিঠিৰ কলমেও মোৰ কলিজাত খুঁটিয়াই —-
যেন সাপৰ বিষৰহে চিয়াঁহী!

ৰোৱা নহয় যেন জাক জাক কাম-চৰাইৰ পাখি!
ৰোৱাৰ মাজেদি খুপি খুপি যাওঁ;
পুঠিনৈৰ গৰায়েদি তই যাৱ যেনেকৈ... !

লাৰুৰ ওপৰত নেপেলাওঁ জুলুকিৰ ছাঁ—
হুৰ্ থাব পানী-তলীয়া হেঁপাহ।